**REGIONAL NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 18-03-2025
**Time :** 1800 hrs

ASSAMESE EVENING BULLETIN

**:::::::::::::::::::**

অসম প্ৰদেশ বিজেপিৰ সভাপতি তথা সাংসদ দিলীপ শইকীয়াই ক'ভিডৰ সময়ছোৱাত প্ৰত্যাহাৰ কৰা ৰে'ল ষ্টেচনসমূহত পুনৰ ৰে'লগাড়ী ৰখোৱাৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনাইছে। লোকসভাত ৰে'ল মন্ত্ৰণালয় সম্পৰ্কত হোৱা বিতৰ্কত অংশগ্ৰহণ কৰি শইকীয়াই কয়, যে খৈৰাবাৰী, গোৰেশ্বৰ, টংলা, ওদালগুৰি আৰু ডেকাৰগাঁও আদি ষ্টেচনত পূৰ্বে ৰখোৱা ভালেকেইখন ৰে'লগাড়ী ক'ভিড কালত এই ষ্টেচনসমূহত নৰখোৱাৰ সিদ্ধান্ত লোৱা হৈছিল। ৰে'লযাত্ৰীসকলৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই এইসমূহ ষ্টেচনত পুনৰ ৰে'লগাড়ী ৰখোৱাৰ ব্যৱস্থা কৰিব লাগে বুলি তেওঁ মত প্ৰকাশ কৰে। গুৱাহাটীৰ পৰা ৰঙিয়া আৰু ওদালগুৰি হৈ ডিব্ৰুগড়লৈ বন্দে ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ী প্ৰৱৰ্তন কৰিবলৈ আৰু গুৱাহাটী আৰু ওড়িশাৰ জগদলপুৰৰ মাজত নতুন ৰে'লগাড়ী প্ৰৱৰ্তন কৰিবলৈ সাংসদগৰাকীয়ে আহ্বান জনায়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামত গুৱাহাটী আৰু দিল্লীৰ মাজত আৰু মহাপুৰুষ মাধৱদেৱৰ নামত গুৱাহাটী আৰু চেন্নাইৰ মাজত চলাচল কৰা ৰে'লগাড়ীৰ নামকৰণ কৰিবলৈকো দৰং-ওদালগুৰিৰ সাংসদগৰাকীয়ে আহ্বান জনায়।

০০০০০০০

ৰাজ্যসভাৰ সাংসদ অজিত কুমাৰ ভূঞাই অসমত ৰে'ল বিভাগৰ কাম-কাজ আশানুৰূপ হোৱা নাই বুলি ৰে'ল বিভাগৰ সমালোচনা কৰিছে। কালি ৰাজ্যসভাত ৰে'ল মন্ত্ৰণালয় সম্পৰ্কীয় বিতৰ্কত ভাগ লৈ সাংসদ ভূঞাই কয়, যে গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ প্ৰায় ৫০০ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰিবলৈ আনকি এক্সপ্ৰেছ শ্ৰেণীৰ ৰে'লগাড়ীৰো ১২ ঘণ্টা সময় লাগে। তেওঁ কয়, যে অসমত ৰে'লপথৰ বৈদ্যুতিকীকৰণৰ কাম এতিয়াও সম্পূৰ্ণ হোৱা নাই। তদুপৰি অসমত দ্বৈত ৰে'লপথৰ নিৰ্মাণৰ ক্ষেত্ৰতো ৰে'ল মন্ত্ৰণালয়ে নিৰ্ধাৰিত সময় অনুসৰি কাম কৰিব পৰা নাই। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ তুলনাত বহু নতুন ৰে'ল মণ্ডলক অধিক গুৰুত্ব দিয়া আৰু এন এফ ৰে'লৱেক মাহী আইৰ দৃষ্টিৰে চোৱা হয় বুলিও সাংসদগৰাকীয়ে অভিযোগ কৰে।

০০০০০

ৰাজ্যৰ বিভিন্ন জিলাত আজি সদৌ অসম ছাত্ৰ সন্থা আৰু অসম উন্নতি সভাৰ আহ্বান মৰ্মে মাদক দ্ৰব্য বিৰোধী সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। ৰাজ্যখনত মাদকদ্ৰব্য মুক্ত কৰাৰ লক্ষ্যৰে আজি **ধেমাজি** নগৰত এটা সজাগতা সমদল উলিয়াই মাদক দ্ৰব্যৰ ভয়াৱহতা সম্পৰ্কত সজাগ কৰি তোলাৰ প্ৰয়াস কৰা হয়। **শিৱসাগৰ** জিলাতো আজি জিলা ছাত্ৰ সন্থাৰ উদ্যোগত ছাত্ৰ সন্থাৰ জিলা কাৰ্যালয়ৰ পৰা সমদল উলিওৱা হয়। সমদলত অংশগ্ৰহণকাৰীসকলে চৰকাৰ আৰু আৰক্ষী প্ৰশাসনক মাদক দ্ৰব্যৰ প্ৰচলনৰ বিৰুদ্ধে কঠোৰ স্থিতি লোৱাৰ দাবী জনায়। **তিনিচুকীয়া** নগৰত আজি ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ পৰা থানা চাৰিআলিলৈকে উলিওৱা মাদকদ্ৰব্য বিৰোধী সমদলত ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে। **ডিব্ৰুগড়** আৰু **ধেমাজি জিলাতো** আজি মাদক দ্ৰব্যৰ প্ৰচলন বন্ধ কৰাৰ দাবীৰে ভালেসংখ্যক লোকে সমদল উলিয়ায়। সদৌ **হোজাই জিলা** ছাত্ৰ সন্থা

আৰু অসম সেনা তথা অসম উন্নতি সভাৰ উদ্যোগত জিলাখনত আজি মাদকদ্ৰব্য বিৰোধী সজাগতা সৃষ্টিৰ উদ্দেশ্যে এখন বাটৰ নাট পৰিৱেশন কৰা হয়।

০০০০০

আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰ আৰু মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ যৌথ উদ্যোগত আজি মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত **নতুন বিশ্বব্যৱস্থা, ইণ্টাৰনেট আৰু যুৱক-যুৱতী** শীৰ্ষক এখন কৰ্মশালাৰ আয়োজন কৰা হয়। কৰ্মশালাখন উদ্বোধন কৰি আকাশবাণী ডিব্ৰুগড় আৰু দূৰদৰ্শন কেন্দ্ৰৰ মুৰববী লোহিত ডেকাই সাম্প্ৰতিক বিশ্বায়নৰ সময়ছোৱাত ছাত্ৰ-ছাত্ৰীসকলে কেনেদৰে নিজকে শুদ্ধ তথ্যৰে সমৃদ্ধ কৰি আগবাঢ়ি যাব লাগে সেই সন্দৰ্ভত বক্তব্য আগবঢ়ায়। অনুষ্ঠানত ডাটা বিজ্ঞানী ড০ শিশিৰ কলিতা আৰু অসম চিকিৎসা মহাবিদ্যালয়ৰ মনোৰোগ বিভাগৰ চিকিৎসক ডাঃ ধ্ৰুৱজ্যোতি ভূঞাই চাইবাৰ সুৰক্ষা, ইণ্টাৰনেট আৰু মানসিক স্বাস্থ্য আদি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত ভাষণ দিয়ে। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অনুষ্ঠান কাৰ্যবাহী বিষয়া পৰশা কোঁৱৰে আঁত ধৰা এই কৰ্মশালাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ মনোজ কুমাৰ তামুলীকে ধৰি কানৈ মহিলা মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা তথা আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ কৰ্মকৰ্তাসকলে অংশগ্ৰহণ কৰে।

০০০০০

তিনিচুকীয়া জিলাত যোৱানিশা অহা এজাক ধুমুহাই ফিল'বাৰী অঞ্চলৰ কেইবাখনো গাঁৱৰ লগতে জিলাখনৰ আন কেইবাটাও স্থানত বিস্তৰ ক্ষতি কৰে। ডুমডুমা ৰাজহ চক্ৰৰ অন্তৰ্গত গাভৰুভেটি আৰু ফিল'বাৰীৰ গৌৰীপুৰ, ৰংপুৰ, মগমবস্তিকে ধৰি কেইবাখনো গাঁৱত গছ-গছনি, বিদ্যুতৰ খুঁটা আদি উভালি পৰে। ধুমুহাৰ ফলত কেইবাটাও বাসগৃহৰো ক্ষতি হয়। জিলাখনৰ আজাদ ৰোড, কলিয়াপানী, বিছাকুপি, কৰ্দৈগুৰি, বাৰেকুৰিকে ধৰি কেইবাটাও এলেকাত ধুমুহাই ক্ষতি কৰে বুলি আমাৰ সংবাদদাতাই জনাইছে।

ডিব্ৰুগড় জিলাৰ লাহোৱাল বিধানসভা সমষ্টিৰ অন্তৰ্গত ৰহমৰীয়াৰ বিস্তীৰ্ণ অঞ্চলত যোৱানিশা ধুমুহাৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ বুজ ল'বলৈ লাহোৱাল সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকাই আজি অঞ্চলসমূহ পৰিদৰ্শন কৰে। তেওঁ ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ সদস্যক সাক্ষাৎ কৰি বিভাগীয়ভাৱে তেওঁলোকক সহায় কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে যোৱা নিশা হোৱা এই ধুমুহাৰ ফলত অঞ্চলটোৰ কেইবাটাও পৰিয়ালৰ বাসগৃহ সম্পূৰ্ণৰূপে ধবংস হোৱাৰ লগতে বিদ্যুৎ পৰিবাহী তাঁৰ ছিগি যোৱাত বিদ্যুৎ যোগানো ব্যাহত হৈছিল।

০০০০০

বিশ্বনাথ উন্নয়ন খণ্ডৰ পিছফালে থকা এখন বননিৰ প্ৰায় ৫০-৬০ বিঘা ভূমিত আজি দিনৰ ভাগত বনজুইৰ সূত্ৰপাত হয়। অৱশ্যে এই অগ্নিকাণ্ডৰ কাৰণ সন্দৰ্ভত জানিব পৰা হোৱা নাই। স্থানীয় লোক আৰু অগ্নি নিৰ্বাপক বাহিনীয়ে জুই নুমুওৱাৰ বাবে চেষ্টা চলাইছে যদিও এতিয়ালৈকে অগ্নি নিৰ্বাপিত হোৱা নাই বুলি আমাৰ সংবাদদাতাই জনাইছে। বতাহৰ বাবে জুই বিয়পি পৰাত অঞ্চলবাসী উদ্বিগ্ন হৈ পৰিছে আৰু শীঘ্ৰেই ব্যৱস্থা গ্ৰহণৰ বাবে আহ্বান জনাইছে।

০০০০০

সমাপ্ত